**Report on NCC Certificate distribution**

Time: 11:00 A.M.

Date: 22/09/2026

Venue: Room no: 04

Resource person: Dharmeswar Roy, M.L.A. of 26 no. Bajali Legislative Assembly.

NCC ‘B’ and ‘C’ certificate distribution ceremony was organized by NCC unit, B.H.B. College, Sarupeta. Dharmeswar Roy, M.L.A. of 26 no. Bajali Legislative Assembly was invited as a chief guest in this programme. Dr. Nayan Jyoti Das, Principal B.H.B. College, Sarupeta along with other faculty members, all the students of college were present in the programme. The chief guest M.L.A. Roy sir gave his valuable speech encouraging the younger generation of the country who are the cadets of NCC. After his speech NCC ‘B’ and ‘C’ certificate was distributed. Total 23 cadets get ‘B’ certificate and total 20 cadets get ‘C’ certificate. After the ceremonial distribution of the certificate, he visited the NCC office. After the end of the programme refreshment food was provided.






## সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়

# বিধায়ক ধৰ্মেশ্বৰ ৰয়ক সম্বৰ্ধনা

প্ৰতিদিন সেৱা, ভৱানীপুৰ, ১৬ ছেপ্টেম্বৰ ঃ সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ত ১৫ ছেপ্টেম্বৰত এটা অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে ২৬ নং বজালী বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ক মহাবিদ্যালয়ৰ তৰফৰ পৰা অভিনন্দন জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানত বিধায়কগৰাকীয়ে প্ৰথমে মহাবিদ্যালয়ৰ ছহিদ বেদীত আৰু অসম আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰি অসম আন্দোলনৰ ছহিদসকলক স্মৰণ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নয়নজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নয়ন নীলিম কলিতাই। বিধায়ক ধৰ্মেশ্বৰ ৰয়ক ফুলাম গামোচা, এটি স্মাৰক আৰু তামোল গছৰ পৰা তৈয়াৰী হস্তশিল্প প্ৰদান কৰি অভিনন্দন জ্ঞাপন কৰা হয়। বিধায়কগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি দিয়া ভাষণত কয় যে পিতৃ-মাতৃসকল ভগৱানসদৃশ আৰু তেওঁলোকক ভক্তি কৰিলে ভগৱানক ভক্তি কৰা হয়। তেওঁ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি খ্যাতি অৰ্জন কৰা অৰুণিমা সিনহাৰ কথাৰে ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠাৰে কৰ্মত প্ৰবৃত্ত হোৱাৰ আহ্বান জনায়। সমাজত শিক্ষকসকল সদায় শ্ৰদ্ধাৰ পাত্ৰ বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পথ প্ৰদৰ্শক শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ বাবে অনুৰোধ জনায়। লগতে নিজক প্ৰতিষ্ঠাৰ বাবে নিৰন্তৰ অধ্যয়নত মনোনিবেশ কৰিবলৈও তেওঁ অনুৰোধ জনায়। অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° অচ্যুত চন্দ্ৰ দাস, বজালী জিলা পৰিষদৰ সদস্য অৰবিন্দ বৰ্মনকে ধৰি ভালেকেইগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। উক্ত সভাতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ ১১১ খন গ্ৰন্থ আগবঢ়োৱা গোমূঢ়া নিবাসী হৰিচন্দ্ৰ মেধিক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি গণিত বিভাগৰ সহকাৰী অধ্যাপক আৰু মুৰব্বী তথা এন চি চিৰ লেফটেনেণ্ট বিশ্বজিৎ ডেকাৰ সহযোগত ৬০ আছাম এন চি চি বেটেলিয়ন আৰু ৭ আছাম এন চি চিৰ বেটেলিয়নৰ বি আৰু চি চাৰ্টিফিকেটপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল আৰু চতুৰ্থ যাণ্মাসিকৰ দক্ষতা বিকাশৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীক চাৰ্টিফিকেট প্ৰদান কৰে বিধায়ক ধৰ্মেশ্বৰ ৰয়ে। সভাত শলাগৰ শৰাই আগবঢ়ায় অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰীতি দেৱীয়ে আৰু আঁত ধৰে মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক ড° পূৰবী তালুকদাৰে।


GPS Map Camera
Sarupeta, Assam, India
781318, College Rd, Sarupeta, Assam
781318, India
Lat 26.49451° Long 91.069204°
Tuesday, 15/09/2026 02:46 PM GMT +05:30
Google


r. Namita Das
jiv Thengal
mit Ghosh
Minakshi Das
GPS Map Camera
Sarupeta, Assam, India
781318, College Rd, Sarupeta, Assam 781318,
India
Lat 26.494772° Long 91.069228°
Tuesday, 15/09/2026 02:55 PM GMT +05:30
Google